As per CBCS Syllabus


# শিক্ষাদান কৌশলৰ বিকাশ

## (Developing Teaching Skill)

গুৱাহাটী বিশ্ববিদ্যালয়

**B.A. 6th Semester in Education**
**Skill Enhancement Course**

**Paper Code:Edu-SE-6014**



ড° নিৰঞ্জন ঠেঙাল

ৰুবী দত্ত

UNION Book publication

দ্বিতীয় গোট

# পাঠ পৰিকল্পনাৰ ধাৰণা আৰু প্ৰস্তুতকৰণ
# (Concept and Preparation of Lesson Plan)

অতীতৰ শিক্ষা ব্যৱস্থা শিক্ষক কেন্দ্ৰিক আছিল। শ্ৰেণীকক্ষত শিক্ষকজনেই সৰ্বেসৰ্বা আছিল আৰু তেওঁ যি শিকাইছিল তাকেই শুনিবলৈ বা শিকিবলৈ ছাত্ৰ ছাত্ৰীসকল বাধ্য হৈছিল। কিন্তু আধুনিক শিক্ষাব্যৱস্থা শিক্ষাৰ্থীকেন্দ্ৰিক। এতিয়া শিক্ষকে 'কি শিকাব'তকৈ 'কাক শিকাব' আৰু 'কেনেকৈ শিকাব'ৰ ওপৰতহে প্ৰাধান্য দিয়া হয়। যিয়েই নহওঁক, আনক শিকোৱাটো অতিশয় কঠিন কাম। শিক্ষকে শিকাবলৈ যোৱাৰ আগতে শিক্ষণীয় বিষয়বস্তুৰ উপৰিও শিক্ষাৰ্থীৰ বয়স, মানসিক স্তৰ, ৰুচি, প্ৰয়োজনীয়তা, বুদ্ধিমত্তা আদি দিশবোৰ খৰচি মাৰি জানিবলগীয়া হয়। কেনেকৈনো ভালদৰে শিকাব পাৰি তাক জানিবলৈ শিক্ষাবিদ তথা মনোবিদসকলে অহৰহ অনুসন্ধান চলাই আহিছে। তথাপি আজিকোপতি এটা সৰ্বসন্মত উপায় বিচাৰি উলিয়াব পৰা নাই। শিক্ষাদানৰ দৰে এটা জটিল কাৰ্য সুচাৰুৰূপে সম্পাদন কৰিবলৈ কি কি পন্থা, উপায়, কৌশল, পদ্ধতি আদি অৱলম্বন কৰিব পাৰি তাৰ বাবে বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে তেওঁলোকৰ গৱেষণালব্ধ মতামত আগবঢ়াই আহিছে। তাৰে ভিতৰত অন্যতম প্ৰধান উপায় হ'ল পাঠ পৰিকল্পনা। এই অধ্যায়ত পাঠ পৰিকল্পনাৰ অৰ্থ, পাঠ পৰিকল্পনাৰ গুৰুত্ব, পাঠ পৰিকল্পনা যুগুতোৱাৰ স্তৰসমূহৰ বিষয়ে বিশদ আলোচনা আগবঢ়োৱা হ'ল।

## ২.১ পাঠ পৰিকল্পনাৰ অৰ্থ আৰু প্ৰকৃতি
## (Meaning and Nature of Lesson Plan)





### ২.১.১ পাঠ পৰিকল্পনাৰ অৰ্থ
### (Meaning of Lesson Plan)

শ্ৰেণীকক্ষত পাঠদান কাৰ্য ফলপ্ৰসূ আৰু সুচাৰুৰূপে সম্পাদন কৰিবলৈ পাঠ পৰিকল্পনা অতিশয় প্ৰয়োজনীয়। যিকোনো কামেই ফলপ্ৰসূতাৰে সম্পাদন কৰিবলৈ পৰিকল্পনাৰ প্ৰয়োজন। পাঠদানৰ বেলিকাও শিক্ষকে শ্ৰেণীকক্ষত কি কি কৰিব, কি কি প্ৰশ্নৰ অৱতাৰণা কৰিব, কি কি উদাহৰণ আৰু দৃষ্টান্ত দিব, কেনেদৰে ব্যাখ্যা কৰিব আদি সম্পৰ্কে আগতীয়াকৈ পৰিকল্পনা প্ৰস্তুত কৰি লোৱাটো নিতান্তই প্ৰয়োজনীয়। অন্যথা শিক্ষকৰ লগতে শিক্ষাৰ্থীবো সকলো প্ৰচেষ্টা তথা সময় অপচয় হোৱাৰ সম্ভাৱনাই সৰ্বাধিক। পাঠদানৰ এনে পূৰ্ব পৰিকল্পিত নক্সাকে পাঠ পৰিকল্পনা বুলি কোৱা হয়। অৰ্থাৎ,শিক্ষকে শ্ৰেণীকক্ষত সোমোৱাৰ পৰা পাঠদান শেষ কৰি ওলাই অহালৈকে শিক্ষাৰ্থীক কি শিকাব, কেনেকৈ অভিৰোচিত কৰিব, কি কি প্ৰশ্ন কৰিব, কি কি সজুঁলি ব্যৱহাৰ কৰিব, কেনেকৈ সঁহাৰি আদায় কৰিব, কি কি উদাহৰণ বা দৃষ্টান্ত দিব, কেনেকৈ পাঠৰ সামৰণি মাৰিব, ইত্যাদিৰ বিষয়ে আগতীয়াকৈ আঁচনি প্ৰস্তুত কৰি লোৱাকে পাঠ পৰিকল্পনা বোলে। এই পাঠ পৰিকল্পনা সম্পৰ্কত বিভিন্ন শিক্ষাবিদে বিভিন্ন মত দাঙি ধৰিছে। তলত কেইটামান উল্লেখযোগ্য মত তুলি ধৰা হ'ল।

### ২.১.২ পাঠ পৰিকল্পনাৰ সংজ্ঞা
### (Definitions of Lesson Plan)

১) Bining and Bining ৰ মতে, 'দৈনিক পাঠ পৰিকল্পনাই উদ্দেশ্যৰ চিনাক্তকৰণ, বিষয়বস্তু নিৰ্বাচন আৰু সজোৱা আৰু পদ্ধতি আৰু প্ৰক্ৰিয়াৰ নিৰ্ধাৰণক অন্তৰ্ভুক্ত কৰে।' (Daily Lesson Planning involves definining the objectives, selecting and arranging the subject matter and determining the method and procedure.)

২) Laster B. Stands ৰ মতে, 'পাঠ পৰিকল্পনা হ'ল আচলতে একোটা কৰ্মৰ আঁচনি। সেইবাবে ই শিক্ষকৰ ক্ৰিয়ামূলক দৰ্শন, তেওঁৰ দৰ্শনৰ জ্ঞান,

শিক্ষাৰ্থী সম্পৰ্কে তেওঁৰ তথ্য আৰু বোধ, শিক্ষাৰ উদ্দেশ্যৰ বিষয়ে তেওঁৰ বোধ, শিকাবলগীয়া বিষয়বস্তুৰ সম্পৰ্কে তেওঁৰ জ্ঞান আৰু উপযুক্ত পদ্ধতি প্ৰয়োগ কৰিব পৰা তেওঁৰ দক্ষতাক সাঙুৰি লয়।' (A lesson plan is actually a plan of action. It, therefore, includes the working philosophy of the teacher, his knowledge of philosophy, his information about and understanding of his pupils, his comprehension of the objective of education, his knowledge of the material to be taught and his ability to utilise effective methods.)

৩) N.L. Bossing ৰ মতে, 'পাঠ পৰিকল্পনা হ'ল এনে এক বিবৃত্তিৰ শীৰ্ষকস্বৰূপ য'ত শ্ৰেণীকক্ষত শিক্ষকৰ সৈতে অতিবাহিত কৰা সময়খিনিত কৰা কাৰ্যৱলীৰ যোগেদি অৰ্জন কৰিবলগীয়া সাফল্যসমূহৰ লগতে বিশেষ উপায়সমূহৰ উল্লেখ থাকে।' (Lesson plan is the title given to a statement of the achievement to be realised and the specific means by which these are to be attained as a result of the activities engaged in during the period the class spends with the teacher.)

সেয়েহে ক'ব পাৰি যে শ্ৰেণীকোঠাত শিক্ষকে কৰিব লগা প্ৰতিটো কামৰ আগতীয়া প্ৰস্তুতিয়েই হ'ল পাঠ পৰিকল্পনা।

### ২.১.৩ পাঠ পৰিকল্পনাৰ প্ৰকৃতি/ বৈশিষ্ট্য (Nature/ Characteristics of Lesson Plan)

পাঠ পৰিকল্পনাৰ কেতবোৰ প্ৰকৃতি/ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল।

**১) মৌলিকতা**

(Orignality)





শিক্ষকে নিজস্ব চিন্তা আৰু জ্ঞান অভিজ্ঞতা প্ৰয়োগ কৰি পাঠ পৰিকল্পনা প্ৰস্তুত কৰে। আনে প্ৰস্তুত কৰা পাঠ পৰিকল্পনাৰ সহায়ত পাঠদান কৰিলে তেনে পাঠদান ফলপ্ৰসূ হোৱাৰ পৰিবৰ্তে হিতে বিপৰীত হোৱাৰ অৱকাশেই বেছি থাকে।

**২) তথ্য চিনাক্তকৰণ** (Identification of Data)

পাঠ পৰিকল্পনাত শিক্ষকে শিক্ষাৰ্থীৰ সংখ্যা, শ্ৰেণী, বয়স, বিষয় আদি উল্লেখ কৰে

**৩) উদ্দেশ্যভিত্তিক** (Based on Objectives)

পাঠ পৰিকল্পনাত পাঠৰ সাধাৰণ আৰু বিশেষ উদ্দেশ্যসমূহ উল্লেখ কৰা থাকে।

**৪) অভিৰোচনৰ উপায়** (Means of Motivation)

পাঠ পৰিকল্পনাত পাঠদানৰ বেলিকা শিক্ষাৰ্থীসকলক কি উপায়েৰে অভিৰোচিত কৰিব তাৰ উল্লেখ কৰা থাকে।

**৫) নিৰ্দিষ্ট শিক্ষণ সঁজুলি** (Definite Teaching Aids)

পাঠদানৰ বেলিকা ব্যৱহাৰ কৰিবলগীয়া আৱশ্যকীয় শিক্ষণ সঁজুলিৰ বিষয়ে পাঠ পৰিকল্পনাত উল্লেখ কৰা থাকে।

**৬) ব্যক্তিগত বৈষম্যত প্ৰাধান্য** (Emphasis on Individual Difference)

পাঠ পৰিকল্পনা প্ৰস্তুত কৰোতে শিক্ষাৰ্থীৰ ব্যক্তিগত বৈষম্যৰ ওপৰত বিশেষ চকু ৰখা হয়।

**৭) নমনীয়** (Flexible)

পাঠ পৰিকল্পনা শিক্ষক শিক্ষাৰ্থী উভয়ৰে বাবে নমনীয় বিধৰ হয়।

**৮) পূৰ্বজ্ঞানৰ আধাৰ** (Basis of Previous Knowledge)

শিক্ষাৰ্থীৰ পূৰ্বজ্ঞানৰ আধাৰত পাঠ পৰিকল্পনা যুগুত কৰা হয়।

৯) শৃংখলাবদ্ধ (Sequence)

পাঠ পৰিকল্পনাত শিক্ষণীয় বিষয় বস্তুসমূহ এটা নির্দিষ্ট ক্ৰমত শৃংখলাবদ্ধভাৱে সজোৱা থাকে।

১০) গৃহকৰ্ম (Home work)

পাঠদানৰ শেষত দিবলগীয়া গৃহকৰ্মৰ বিষয়েও পাঠ পৰিকল্পনাত উল্লেখ থাকে।

## ২.২ পাঠ পৰিকল্পনাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব (Need and Importance of Lesson Plan)

পৰিকল্পনা বা আগতীয়া প্ৰস্তুতি অবিহনে কোনো কামেই সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰি। পাঠদানৰ বেলিকাও শিক্ষকজন যিমানেই অভিজ্ঞ নহওঁক কিয় পৰিকল্পনা অবিহনে তেনে পাঠদান ফলপ্ৰসু নোহোৱাটোৱেই স্বাভাৱিক। সেয়েহে প্ৰতিজন শিক্ষকেই পাঠদানৰ পূৰ্বে পৰিকল্পনা যুগুত কৰাটো নিতান্তই প্ৰয়োজনীয়। তলত পাঠ পৰিকল্পনাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল।

১) আত্মবিশ্বাসৰ সৃষ্টি (Building Self confidence)

পাঠ পৰিকল্পনাই শিক্ষকৰ অসহায় আৰু অপ্ৰস্তুত ভাৱ দূৰ কৰে। ই শিক্ষকক শ্ৰেণীকোঠাত পাঠদানৰ বেলিকা আত্মবিশ্বাসী কৰি তোলে।

২) ফলপ্ৰসূ শিক্ষাদান (Effective Teaching)

পাঠ পৰিকল্পনাই শিক্ষাদান ফলপ্ৰসূ কৰি তোলে। শ্ৰেণীকক্ষত সম্পাদন কৰিবলগীয়া প্ৰতিটো কামেই পাঠ পৰিকল্পনাৰ সহায়ত শিক্ষকে শৃংখলাবদ্ধ আৰু সুচাৰুৰূপে সমাপন কৰিব পাৰে।

৩) প্ৰচেষ্টা আৰু সময়ৰ সদব্যৱহাৰ (Utilisation of Effort and Time)

পাঠ পৰিকল্পনাই শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া মিতব্যয়ী কৰি তোলাত সহায় কৰে। ফলত শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰে প্ৰচেষ্টা আৰু সময়ৰ অপচয় ৰোধ হয়।





৪) তাৎক্ষণিক সঁহাৰি (Immediate Feedback)

পাঠ পৰিকল্পনাই শিক্ষাৰ্থীৰ পৰা তাৎক্ষণিক সঁহাৰি আদায় কৰাত শিক্ষকক সহায় কৰে।

৫) অনাৱশ্যকীয় পুনৰাবৃত্তি ৰোধ (Overcoming Unnecessary Repetition)

পাঠ পৰিকল্পনাত যিহেতু শ্ৰেণীকক্ষত সম্পন্ন কৰিবলগীয়া প্ৰতিটো কামকে শৃংখলাবদ্ধভাৱে সজোৱা হয় সেয়েহে ই শিক্ষকক বিষয়বস্তুৰ অনাৱশ্যকীয় পুনৰাবৃত্তিৰ পৰা বিৰত থকাত সহায় কৰে।

৬) অনুশাসন (Discipline)

পাঠ পৰিকল্পনাই শ্ৰেণীকক্ষত অনুশাসন বৰ্তাই ৰখাত সহায় কৰে। ই শিক্ষকক শ্ৰেণীকোঠাৰ সঠিক পৰিচালনা কৰাত সহায় কৰে।

৭) অভিৰোচন (Motivation)

পাঠ পৰিকল্পনাই শিক্ষাৰ্থীক অভিৰোচিত কৰি তোলাত সহায় কৰে। ই শিক্ষকক শিক্ষণীয় বিষয়বস্তুসমূহ শৃংখলাবদ্ধভাৱে শিক্ষাৰ্থীৰ মনোগ্ৰাহীকৈ উপস্থাপন কৰাত সহায় কৰে।

৮) সঠিক সঁজুলিৰ বাছনি (Selection of Appropriate Teaching Aids)

পাঠ পৰিকল্পনাই শিক্ষণীয় বিষয়বস্তুৰ লগত ৰজিতা খোৱাই সঠিক সঁজুলি বাছনি কৰাত সহায় কৰে।

৯) শিক্ষাদান কৌশলৰ বিকাশ (Development of Teaching Skills)

পাঠ পৰিকল্পনাই শিক্ষকৰ শিক্ষাদান কৌশলৰ বিকাশ সাধনত যথেষ্ট অৰিহণা আগবঢ়ায়।

### ১০) কামৰ বিভাজন (Division of work)

পাঠ পৰিকল্পনাই শিক্ষকক শ্ৰেণীকোঠাত কৰিবলগীয়া কোনবোৰ কাম শিক্ষকে কৰিব আৰু কোনবোৰ কাম শিক্ষাৰ্থীয়ে কৰিব তাক আগতীয়াকৈ নিৰ্ধাৰণ কৰাত সহায় কৰে।

গতিকে দেখা গ'ল যে, পাঠ পৰিকল্পনাৰ গুৰুত্ব অপৰিসীম। প্ৰতিজন শিক্ষকেই শিক্ষাৰ্থীক ফলপ্ৰসূতাৰে পাঠদান কৰিবলৈ হ'লে পাঠ পৰিকল্পনা যুগুত কৰাটো নিতান্তই বাঞ্ছনীয়।

## ২.৩ পাঠৰ প্ৰকাৰ (Types of Lessons)

অতীজতে জ্ঞান আহৰণ অৰ্থাৎ বৌদ্ধিক দিশৰ বিকাশ সাধনেই শিক্ষাৰ একমাত্ৰ লক্ষ্য আছিল। কিন্তু বৰ্তমান শিক্ষা কেৱল জ্ঞান আহৰণতেই সীমাবদ্ধ নহয়। আজিৰ শিক্ষাই শিক্ষাৰ্থীৰ বৌদ্ধিক দিশৰ লগতে অনুভূতিমূলক আৰু ক্ৰিয়ামূলক দিশকো সামৰি লৈছে। এই দিশকেইটাক একেলগে '3Hs' বুলি কোৱা হয়- Head (জ্ঞানমূলক), Heart (অনুভূতিমূলক) আৰু Hand (ক্ৰিয়ামূলক)। সেয়েহে শিক্ষাবিদসকলে শিক্ষণীয় বিষয়বস্তুৰ সাধাৰণ উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি পাঠৰ তিনিটা প্ৰকাৰৰ কথা উল্লেখ কৰিছে। তলত এই তিনিওবিধৰে চমু আলোচনা আগবঢ়োৱা হ'ল।

### ক) জ্ঞানমূলক পাঠ (Knowledge Lesson)

যিবোৰ পাঠে শিক্ষাৰ্থীৰ জ্ঞানৰ ভঁৰাল চহকী কৰে সেইবোৰ পাঠকে জ্ঞানমূলক পাঠ বুলি কোৱা হয়। এনে পাঠৰ জৰিয়তে শিক্ষাৰ্থীয়ে বিভিন্ন ঘটনা পৰিঘটনা, বাস্তৱ সত্য আদি সম্পৰ্কে জ্ঞান আহৰণ কৰে। Bloom's Taxonomy অনুসৰি জ্ঞানমূলক পাঠৰ যোগেদি কোনো বিষয়বস্তু সম্পৰ্কে শিক্ষাৰ্থীৰ জ্ঞান (Knowledge), বোধ (Understanding), প্ৰয়োগ (Application), বিশ্লেষণ (Analysis), সংশ্লেষণ (Synthesis) আৰু মূল্যায়ন (Evaluation) কৰা ক্ষমতাৰ বিকাশ সাধন হয়। উদাহৰণস্বৰূপে বুৰঞ্জী, ভূগোল, অৰ্থনীতি, ৰাজনীতি, পৌৰবিজ্ঞান আদি জ্ঞানমূলক পাঠৰ অন্তৰ্গত।





### খ) প্ৰশংসামূলক পাঠ (Appreciation Lesson)

যিবোৰ পাঠে শিক্ষাৰ্থীৰ হৃদয়ৰ অনুভূতিক জাগ্ৰত কৰি তোলে, তেনেবোৰ পাঠকে প্ৰশংসামূলক বা অনুভূতিমূলক পাঠ বুলি কোৱা হয়। এনে পাঠে শিক্ষাৰ্থীৰ সৌন্দৰ্যাত্মক অনুভূতি বিকশাই তোলে। এইবোৰ পাঠত জ্ঞান আহৰণতকৈ আৱেগ অনুভূতিৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হয়। Krathwohl's Taxonomy অনুসৰি অনুভূতিমূলক পাঠৰ যোগেদি শিক্ষাৰ্থীৰ কোনো বিষয়বস্তু সম্পৰ্কে উদ্দীপনা গ্ৰহণ (Receiving), প্ৰতিক্ৰিয়া প্ৰদৰ্শন (Responding), মূল্য প্ৰদান (Valuing), ধাৰণা গঠন (Conceptualisation), সংগঠন (Organisation) আৰু চৰিত্ৰায়ণ (Characterisation) কৰা ক্ষমতাৰ বিকাশ সাধন হয়। সাহিত্য, সংগীত, মানৱীয় কলা আদি এনে পাঠৰ অন্তৰ্গত।

### গ) কৌশল পাঠ (Skill Lesson)

যিবোৰ পাঠে শিক্ষাৰ্থীক কৌশল আয়ত্বকৰণত সহায় কৰে তেনেবোৰ পাঠকে কৌশল পাঠ বোলে। এনেবোৰ পাঠে শিক্ষাৰ্থীক কোনো কাম বা সমস্যা নিজে সমাধান কৰিবলৈ সক্ষম কৰি তোলে। অৰ্থাৎ ইয়াত হাতে কামে কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। এই পাঠৰ জৰিয়তে শিক্ষাৰ্থীৰ জ্ঞান আৰু অনুভূতিতকৈ কৌশলৰ বিকাশ সাধনৰ চেষ্টা চলোৱা হয়। আন কথাত ক'বলৈ গ'লে কৌশল পাঠে জ্ঞানমূলক আৰু অনুভূতিমূলক দিশতকৈ মনোপেশীয় বা ক্ৰিয়ামূলক দিশৰ ওপৰত প্ৰাধান্য দিয়ে। Harrow's Taxonomy অনুসৰি কৌশল পাঠৰ যোগেদি কোনো বিষয়বস্তু সম্পৰ্কে শিক্ষাৰ্থীৰ আবেগিক উৎকণ্ঠা (Impulsion), পৰিচালনা (Manipulation), সমন্বয় (Co-ordination), নিয়ন্ত্ৰণ (Control), আৰু স্বাভাৱিকীকৰণ (Naturalisation) কৰা ক্ষমতাৰ বিকাশ সাধন হয়। উদাহৰণস্বৰূপে চিত্ৰাংকণ হস্তশিল্প, কৃষি, অংক, বিজ্ঞান, জ্যামিতি, ব্যাকৰণ আদি কৌশল পাঠৰ অন্তৰ্গত।

## ২.৪ পাঠ পৰিকল্পনাৰ হাৰ্বাৰ্টিয়ান স্তৰসমূহ (Herbartian Steps of Lesson Plan)

পাঠ পৰিকল্পনা যুগুত কৰোতে কেনেকৈ আৰম্ভণিৰ পৰা শেষলৈকে আগবাঢ়িব লাগে সেই বিষয়ে বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে বেলেগ বেলেগ স্তৰৰ কথা উল্লেখ কৰি আহিছে। তাৰ ভিতৰত জাৰ্মান শিক্ষাবিদ John Fredric Herbart ৰ স্তৰসমূহ উল্লেখযোগ্য। J.F. Herbart এ প্ৰথমে পাঠ পৰিকল্পনাৰ চাৰিটা স্তৰ উদ্ভাৱন কৰে-

ক) স্পষ্টতা (Clearness)

খ) অনুষংগ (Association)

গ) প্ৰণালী (System) আৰু

ঘ) পদ্ধতি (Method)

পিছত Ziller নামৰ Herbart ৰ শিষ্য এজনে স্পষ্টতা (Clearness) স্তৰটোক প্ৰস্তুতি (Preparation) আৰু উপস্থাপন (Presentation) হিচাপে দুটা ভাগত ভাগ কৰে।

Ryan নামৰ Herbart ৰ অন্য এজন শিষ্যই আকৌ প্ৰস্তুতি (Preparation) আৰু উপস্থাপন (Presentation) ৰ মাজত আন এটা স্তৰ যোগ দিয়ে, সেইটো হ'ল - লক্ষ্যৰ বিবৃত্তি (Statement of Aims)

পিছলৈ Herbart ৰ অন্যান্য অনুগামীসকলে তেওঁৰ অনুষংগ (Association) স্তৰটোৰ সলনি তুলনা (Comparison), প্ৰণালী (System) ৰ সলনি সামান্যীকৰণ (Generalisation) আৰু পদ্ধতি (Method) ৰ সলনি প্ৰয়োগ (Application) স্তৰকেইটাৰ সংযোগ সাধন কৰে।

এনেদৰে অৱশেষত পাঠ পৰিকল্পনাৰ পাঁচটা স্তৰৰ উদ্ভাৱন হয় যাক হাৰ্বাৰ্চিয়ান স্তৰ (Herbartian Steps) হিচাপে জনা যায়। এই স্তৰকেইটা হ'ল-

ক) প্ৰস্তুতি (Preparation)

খ) উপস্থাপন (Presentation)

গ) তুলনা (Comparison)





ঘ) সামান্যীকৰণ (Generalisation) আৰু

ঙ) প্ৰয়োগ (Application)

তলত প্ৰতিটো স্তৰৰে চমু বৰ্ণনা আগবঢ়োৱা হ'ল-

**ক) প্ৰস্তুতি**

**(Preparation)**

এই স্তৰত শিক্ষাৰ্থীসকলক শিক্ষা গ্ৰহণৰ বাবে প্ৰস্তুত কৰি লোৱা হয়। ইয়াৰ বাবে শিক্ষকে আৱশ্যক অনুযায়ী শিক্ষাৰ্থীৰ পূৰ্বজ্ঞানৰ পৰীক্ষা কৰে যাতে তেওঁ জানিব পাৰে যে শিক্ষাৰ্থীসকলে শিকাবলগীয়া বিষয়বস্তুটোৰ সম্পৰ্কে আগতীয়াকৈ কিমান জানে। এনে কৰাৰ ফলত শিক্ষাৰ্থীসকল শিকিবলগীয়া পাঠটোৰ প্ৰতি কৌতুহলী হোৱাৰ লগতে অভিৰোচিতও হয়।

**খ) উপস্থাপন (Presentation)**

প্ৰস্তুতি স্তৰত শিক্ষাৰ্থীসকলক শিক্ষা গ্ৰহণৰ বাবে সাজু কৰি লোৱাৰ পাছত এই স্তৰত শিক্ষকে পাঠ অৱতাৰণা কৰে। তাৰ পিছত পৰিকল্পনা অনুযায়ী শিক্ষকে পাঠদান কাৰ্য আৰম্ভ কৰে। শিক্ষণীয় বিষয়বস্তু অধিক মনোগ্ৰাহী আৰু বোধগম্য কৰি তুলিবলৈ শিক্ষকে প্ৰয়োজনীয় দৃশ্য শ্ৰব্য সঁজুলিৰ ব্যৱহাৰ কৰে। প্ৰয়োজন সাপেক্ষে শিক্ষকে শিক্ষাৰ্থীক প্ৰশ্ন সোধে। এই স্তৰত শিক্ষাদানৰ বিধিসমূহ (Maxims of Teaching) যেনে জনাৰ পৰা নজনালৈ গতি কৰা, সহজৰ পৰা জটিললৈ গতি কৰা, মূৰ্ত্তৰপৰা বিমূৰ্ত্তলৈ গতি কৰা আদি শিক্ষকে যুক্তিসংগতভাৱে ব্যৱহাৰ কৰে।

**গ) তুলনা (Comparison)**

এই স্তৰত শিক্ষকে শিকাই থকা পাঠৰ লগত পূৰ্বতে শিকোৱা পাঠৰ তুলনা কৰে। পৰা পক্ষত শিক্ষকে শিকাই থকা পাঠটোৰ বিভিন্ন দিশ বা ঘটনা পৰিঘটনাৰ লগত অন্য বিষয়ৰ ঘটনা পৰিঘটনাৰ সাদৃশ্য বৈসাদৃশ্যৰ এক তুলনামূলক আলোচনা আগবঢ়াব লাগে। এনে কৰিলে শিক্ষাৰ্থীৰ মনত থকা

খোকোজাবোৰ দূৰ হয় আৰু পাঠটো কম আয়াসতে আয়ত্ব কৰিব পাৰে। এই স্তৰতে পাঠৰ বৰ্ণনা প্ৰায় শেষ হয়।

**ঘ) সামান্যীকৰণ** (Generalisation)

এই স্তৰত শিক্ষাৰ্থীসকলক পাঠটোৰ বিষয়বস্তু সম্পৰ্কে কোনো এক সিদ্ধান্তত উপনীত হ'বলৈ সুযোগ দিয়া হয়। ইয়াত শিক্ষাৰ্থীয়ে শিকা কথাখিনি বাস্তৱ জীৱনৰ লগত সংগতি স্থাপন কৰিবলৈ চেষ্টা কৰে। শিক্ষকে শিক্ষাৰ্থীক পাঠৰ বিষয়বস্তুটো ভালকৈ বুজি নিজে প্ৰকাশ কৰিবলৈ উদগনি যোগায়। যদি বিষয়বস্তুটোৰ সামান্যীকৰণত শিক্ষাৰ্থীৰ কিবা ভুল হয় তেতিয়া শিক্ষকে তাক শুদ্ধ কৰাত সহায় কৰে।

**ঙ) প্ৰয়োগ** (Application)

পাঠ পৰিকল্পনাৰ হাৰ্বাৰ্চিয়ান স্তৰৰ এইটো অন্তিম স্তৰ। এই স্তৰত পাঠটোৰ পৰা শিকা কথাখিনি বিভিন্ন পৰিস্থিতিত শিক্ষাৰ্থীয়ে প্ৰয়োগ কৰিব পাৰিছেনে নাই তাক পৰীক্ষা কৰা হয়। অৰ্থাৎ শিক্ষাৰ্থীয়ে শিকোৱা পাঠৰ কিমানখিনি আয়ত্ব কৰিবলৈ সক্ষম হ'ল তাৰ বিচাৰ কৰি চোৱা হয়। ইয়াৰ বাবে শিক্ষকে শিক্ষাৰ্থীক নিজৰ বহীত বা ব'ৰ্ডত লিখিবলৈ দিব পাৰে অথবা মৌখিক প্ৰশ্নোত্তৰৰো সহায় ল'ব পাৰে। ফলত শিক্ষকেও পাঠটো বুজাব পাৰিলেনে নাই তাৰ প্ৰতিপুষ্টি বা সহাঁৰি লাভ কৰে। যদি শিক্ষাৰ্থীয়ে সকলো প্ৰশ্নৰ উত্তৰ ঠিকমতে দিবলৈ সক্ষম হয় তেতিয়া শিক্ষকে জানিব যে তেখেতৰ পাঠদান কাৰ্য সাৰ্থক হৈছে। অৱশ্যে কোনো শিক্ষাৰ্থীয়ে উত্তৰ দিব নোৱাৰিলে শিক্ষকে পুনৰ শিকোৱাৰ ব্যৱস্থা কৰিব পাৰে। উল্লেখযোগ্য যে এই স্তৰতে শিক্ষকে Fast Learner, Average Learner আৰু Slow Learner ৰ চিনাক্তকৰণ কৰাৰ সুযোগ লাভ কৰে।

অৱশেষত শিক্ষাৰ্থীসকলক গৃহকৰ্ম (Home work) দি শিক্ষকে পাঠৰ সামৰণি মাৰিব। এনেদৰেই এই পাঁচটা স্তৰৰ সহায়ত শিক্ষকে পাঠ পৰিকল্পনা যুগুত কৰিব।





**হাৰ্বাৰ্চিয়ান স্তৰৰ সমালোচনা** (Criticism of Herbartian Steps)

পাঠদান কাৰ্য ফলপ্ৰসূ কৰি তুলিবৰ বাবে John Fredric Herbart এ আগবঢ়োৱা পাঠ পৰিকল্পনাৰ স্তৰসমূহ সমগ্ৰ শিক্ষাজগততে জনপ্ৰিয়। কিন্তু তথাপিও ই সমালোচনাৰ উৰ্দ্ধত নহয়। বিভিন্নজন শিক্ষাবিদে এই হাৰ্বাৰ্চিয়ান স্তৰসমূহৰ কেতবোৰ গুণ আৰু দোষ থকাৰ কথা উনুকিয়াইছে। তলত তাৰে চমু আলোচনা আগবঢ়োৱা হ'ল।

**গুণ** (Merits)

১) হাৰ্বাৰ্চিয়ান স্তৰসমূহৰ সহায়ত শিক্ষণীয় বিষয়বস্তুসমূহ শৃংখলাবদ্ধভাৱে এটা নিৰ্দিষ্ট ক্ৰমত উপস্থাপন কৰিব পাৰি।

২) ই শিক্ষণীয় বিষয়বস্তুৰ অনাৱশ্যকীয় পুনৰাবৃত্তিৰ পৰা শিক্ষকক বচাই ৰাখে।

৩) পূৰ্বজ্ঞানক আধাৰ হিচাপে লৈ নতুন জ্ঞান প্ৰদান কৰাত ই শিক্ষকক সহায় কৰে।

৪) ই শিক্ষকসকলৰ অপ্ৰস্তুত ভাৱ দূৰ কৰি আত্মবিশ্বাসী কৰি তোলে।

৫) ইয়াৰ সহায়ত শিক্ষক শিক্ষাৰ্থী উভয়ৰে সময় আৰু চেষ্টাৰ সদব্যৱহাৰ হয়।

**দোষ** (Demerits)

১) হাৰ্বাৰ্চিয়ান স্তৰসমূহে শিক্ষা আহৰণতকৈ শিক্ষাদানতহে বেছি গুৰুত্ব দিয়ে।

২) ইয়াত বিশেষ উদ্দেশ্যসমূহ আচৰণসূচক শব্দত লিখা নহয়।

৩) ই অনুভূতিমূলক আৰু কৌশল পাঠৰ বাবে বিশেষ উপযোগী নহয়, জ্ঞানমূলক পাঠৰ বাবেহে উপযোগী।

৪) ই সাধাৰণ শিক্ষাৰ্থীৰ ক্ষেত্ৰতহে উপযোগী। প্ৰতিভাসম্পন্ন আৰু অনগ্ৰসৰ শিক্ষাৰ্থীৰ বাবে ই বিশেষ ফলপ্ৰসূ নহয়।

৫) ই শিক্ষকৰ পাঠদানৰ স্বাধীনতা হ্ৰাস কৰে।

৬) ইয়াত শিক্ষাৰ্থীৰ ব্যক্তিগত বৈষম্যৰ প্ৰতি লক্ষ্য ৰাখি পাঠদান কৰিব নোৱাৰি। তদুপৰি সকলো শিক্ষাৰ্থীকে একে ধৰণৰ প্ৰশ্ন আৰু কামেই কৰিবলৈ দিয়া হয়।

যদিওবা হাৰ্বাৰ্চিয়ান স্তৰসমূহ এনে ধৰণৰ কিছুমান দোষ গুণৰ সমাহাৰ, তথাপি এই সমূহৰ প্ৰায়োগিকতা একেবাৰে নুই কৰিব নোৱাৰি।

## ২.৫ ভাল তথা আদৰ্শ পাঠ পৰিকল্পনাৰ লক্ষণ বা গুণাৱলী

## (Criteria of a good Lesson Plan)

সকলোবোৰ পাঠ পৰিকল্পনাই ভাল নহ'বও পাৰে। কোনো এটা পাঠ পৰিকল্পনা ভাল বুলি আখ্যা দিবলৈ হ'লে ইয়াৰ কিছুমান লক্ষণ বা গুণাৱলী থাকিব লাগিব। এটা ভাল বা আদৰ্শ পাঠ পৰিকল্পনাৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা কেতবোৰ গুণাৱলী সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হ'ল।

**১) উদ্দেশ্যৰ উল্লেখ** (Statement of Objectives)

এটা ভাল পাঠ পৰিকল্পনাত শিকাবলগীয়া পাঠটোৰ সাধাৰণ আৰু বিশেষ উদ্দেশ্যসমূহ নিৰ্দিষ্ট আৰু স্পষ্টকৈ উল্লেখ কৰা থাকে।

**২) পূৰ্বজ্ঞানৰ আধাৰ** (Basis of Previous Knowledge)

এটা ভাল পাঠ পৰিকল্পনা সদায় শিক্ষাৰ্থীৰ পূৰ্বজ্ঞানৰ ভিত্তিত প্ৰস্তুত কৰা হয় যাতে নতুন জ্ঞান আহৰণ কৰোতে শিক্ষাৰ্থীসকল কোনো জটিলতাৰ সন্মুখীন নহয়।

**৩) অভিৰোচন কৌশল** (Motivation Technique)

এটা ভাল পাঠ পৰিকল্পনাত পাঠদানৰ বেলিকা শিক্ষাৰ্থীসকলক কি উপায়েৰে অভিৰোচিত কৰিব তাৰ বিষয়ে উল্লেখ কৰা থাকে।





**৪) যথোপযুক্ত শিক্ষণ সঁজুলি** (Appropriate Teaching Aids)

এটা ভাল পাঠ পৰিকল্পনাত পাঠদানৰ সময়ত ব্যৱহাৰ কৰিবলগীয়া যথোপযুক্ত শিক্ষণ সঁজুলিসমূহৰ বিষয়ে উল্লেখ থাকে।

**৫) শিক্ষাৰ্থীকেন্দ্ৰিক** (Learner centred)

এটা ভাল পাঠ পৰিকল্পনা সদায় শিক্ষাৰ্থীকেন্দ্ৰিক হয়। ইয়াত শিক্ষাৰ্থীৰ ব্যক্তিগত বৈষম্যৰ প্ৰতিও বিশেষ লক্ষ্য ৰখা হয়।

**৬) সহজ সৰল ভাষা** (Simple Language)

এটা ভাল পাঠ পৰিকল্পনা সদায় সহজ সৰল ভাষাৰ প্ৰয়োগেৰে যুগুত কৰা হয়।

**৭) সহ সম্বন্ধ** (Correlation)

এটা ভাল পাঠ পৰিকল্পনাত শিকাবলগীয়া পাঠৰ বিষয়বস্তুৰ লগত সাদৃশ্য থকা অন্যান্য বিষয়, পৰিঘটনা আদিৰ সহ সম্বন্ধ স্থাপন কৰা হয় যাতে শিক্ষাৰ্থীয়ে পাঠৰ বিষয়বস্তুটো সামান্যীকৰণ কৰিব পাৰে।

**৮) শৃংখলাবদ্ধ** (Systematic)

এটা ভাল পাঠ পৰিকল্পনাত শিক্ষণীয় বিষয়বস্তু সমূহ শৃংখলাবদ্ধভাৱে এটা নিৰ্দিষ্ট ক্ৰমত সজোৱা থাকে।

**৯) সময়ৰ সদব্যৱহাৰ** (Utilisation of Time)

এটা ভাল পাঠ পৰিকল্পনাত সময়ৰ সদব্যৱহাৰৰ ওপৰত বিশেষ চকু দিয়া হয়। ইয়াত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত শিক্ষক শিক্ষাৰ্থী উভয়ে কি কি কৰিব আৰু কিমানখিনি কৰিব তাক নিৰ্দিষ্টকৈ স্পষ্ট কৰি দিয়া থাকে।

**১০) নমনীয়** (Flexible)

এটা ভাল পাঠ পৰিকল্পনা শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰে বাবে নমনীয় হয়।

**১১) মূল্যায়ন** (Evaluation)

এটা ভাল পাঠ পৰিকল্পনাত আলোচিত পাঠৰ শিক্ষাৰ্থীয়ে কিমানখিনি

আয়ত্ব কৰিলে তাৰ মূল্যায়নৰ বাবে কি উপায়, কৌশল আৰু পদ্ধতি ব্যৱহাৰ কৰিব তাৰ উল্লেখ থাকে।

**১২) গৃহকৰ্ম** (Home work)

এটা ভাল পাঠ পৰিকল্পনাত পাঠৰ অনুশীলনৰ বাবে কি কি গৃহকৰ্ম দিয়া হ'ব তাক স্পষ্টকৈ উল্লেখ কৰা হয়।

উপৰোক্ত গুণাৱলীসমূহৰ বাদেও এটা ভাল পাঠ পৰিকল্পনাত আন কিছুমান গুণাৱলীও দেখা যায় যেনে- সঠিক প্ৰশ্নবান, উপযুক্ত শিক্ষাদান কৌশল আৰু পদ্ধতিৰ ব্যৱহাৰ, ব্লেকব'ৰ্ডৰ ব্যৱহাৰ, দৃষ্টান্তৰ ব্যৱহাৰ ইত্যাদি। সাধাৰণতে ওপৰত আলোচনা কৰা গুণাৱলীসমূহ থাকিলেই পাঠ পৰিকল্পনা এটা ভাল বুলি ক'ব পাৰি।

## ২.৬ পাঠ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে লাগতীয়াল জ্ঞান (Knowledge required for preparation of Lesson Plan)

পাঠ পৰিকল্পনা এটা যুগুতাই উলিওৱাটো ইমান সহজ কথা নহয়। এটা মনঃপুত পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ কেতবোৰ কথা খৰচি মাৰি জনাটো অতি দৰকাৰী। তলত পাঠ পৰিকল্পনা প্ৰস্তুতিৰ বাবে লাগতীয়াল কিছুমান জ্ঞানৰ বিষয়ে আলোচনা কৰা হ'ল।

**১) শৈক্ষিক উদ্দেশ্যৰ জ্ঞান** (Knowledge of Educational Objectives)

পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ শৈক্ষিক উদ্দেশ্যসমূহৰ জ্ঞানৰ প্ৰয়োজন। শৈক্ষিক উদ্দেশ্যসমূহক বহলভাৱে জ্ঞানমূলক, অনুভূতিমূলক আৰু ক্ৰিয়ামূলক এই তিনিটা ভাগত ভাগ কৰা হৈছে। এই তিনিওটা ভাগৰ বিষয়ে যথোপযুক্ত জ্ঞান থাকিলেহে পাঠ পৰিকল্পনা সম্ভৱ হৈ উঠিব।

**২) বিষয়বস্তুৰ জ্ঞান** (Knowledge of subject matter)

পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ বিয়বস্তুৰ সম্পৰ্কত গভীৰ জ্ঞান থকাটো





নিতান্তই প্ৰয়োজনীয়। সেয়ে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ যোৱাৰ আগতে বিয়য়বস্তুটোৰ আঁতি গুৰি জানি লোৱা উচিত। তাৰ বাবে নিৰ্দিষ্ট পাঠটোৰ উপৰিও অন্যান্য আনুযংগিক আৰু পৰিপূৰক অধ্যয়ন কৰা উচিত।

**৩) শিশু মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞানৰ জ্ঞান** (Knowledge of child Psychology and Educational Psychology)

পাঠ পৰিকল্পনা প্ৰস্তুতিৰ বাবে শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা, ৰুচি অভিৰুচি, বুদ্ধিমত্তা, ব্যক্তিগত বৈষম্য, মনোভাৱ আদি বিভিন্ন দিশৰ বিষয়ে জনাটো অতি দৰকাৰী। তাৰ বাবে শিশু মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞানৰ জ্ঞান থকাটো একান্তই বাঞ্চনীয়।

**৪) শিক্ষাদানৰ নীতি আৰু কৌশলৰ জ্ঞান** (Knowledge of Principles and Skills of Teaching)

পাঠ পৰিকল্পনা সফলভাৱে প্ৰস্তুত কৰিবলৈ হ'লে শিক্ষাদানৰ নীতি আৰু কৌশলসমূহৰ বিষয়ে সঠিক জ্ঞান থকাটো অতি প্ৰয়োজনীয়।

**৫) শিক্ষণ সঁজুলিৰ উপযুক্ত ব্যৱহাৰৰ জ্ঞান** (Knowledge of effective use of Teaching Aids)

পাঠ পৰিকল্পনা যুগুত কৰিবলৈ হ'লে শিক্ষণ সঁজুলিৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে সঠিক জ্ঞান থাকিব লাগিব।

**৬) ব্যক্তিগত বৈষম্যৰ জ্ঞান** (Knowledge of Individual Difference)

পাঠ পৰিকল্পনা প্ৰস্তুতিৰ বাবে শিক্ষাৰ্থীৰ ব্যক্তিগত বৈষম্যৰ বিষয়ে যথোপযুক্ত জ্ঞান থকাটো অতিশয় দৰকাৰী।

**৭) শিক্ষাদান বিধিৰ জ্ঞান** (Knowledge of Maxims of Teaching)

পাঠ পৰিকল্পনা যুগুত কৰাৰ বাবে শিক্ষাদান বিধিসমূহৰ বিষয়ে সম্যক জ্ঞান থাকিব লাগিব।

**৮) সময়ৰ সদব্যৱহাৰৰ জ্ঞান** (Knowledge of Utilization of

Time)

পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ সময়ৰ সঠিক ব্যৱহাৰৰ ওপৰত স্পষ্ট জ্ঞান থাকিব লাগিব।

**৯) পূৰ্বজ্ঞানৰ জ্ঞান** (Knowledge of Previous Knowledge)

সফল পাঠ পৰিকল্পনাৰ বাবে বিষয়বস্তুৰ পূৰ্বজ্ঞানৰ সম্পৰ্কে যথাযথ জ্ঞান থকা উচিত। শিক্ষাৰ্থীৰ পূৰ্বজ্ঞান সঠিকভাৱে জানিব পাৰিলেহে নতুন জ্ঞান দিব পৰা যায়।

**১০) মূল্যায়নৰ জ্ঞান** (Knowledge of Evaluation)

শিক্ষাৰ্থীৰ আৰ্জিত জ্ঞানৰ মূল্যায়নৰ বাবে উপযুক্ত মূল্যায়ন পদ্ধতিসমূহৰ বিষয়ে জানিলেহে এটা ফলপ্ৰসূ পাঠ পৰিকল্পনা প্ৰস্তুত কৰাটো সম্ভৱ হৈ উঠে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে পাঠ পৰিকল্পনা প্ৰস্তুতিৰ বাবে অনেক দিশত দক্ষ আৰু অভিজ্ঞ হ'ব লাগিব। এই সমূহ জ্ঞান নাথাকিলে পাঠ পৰিকল্পনা কৰাটো অসম্ভৱ আৰু কৰিলেও পাঠ পৰিকল্পনাটোৰ ফলপ্ৰসূতা নাথাকিব।

## ২.৭ পাঠ পৰিকল্পনাৰ প্ৰস্তুতকৰণ (Preparation of Lesson Plan)

দেখা যায় যে শিক্ষক বা অন্য কোনো ব্যক্তিয়ে কোনো বিষয়বস্তু সম্পৰ্কে কৈ থকা বা শিকাই থকা অৱস্থাত বিষয়বস্তুটো বুজি পোৱা যেন লাগে। কিন্তু সেই একেটা বস্তুকে বা বিষয়কে যেতিয়া নিজে ব্যৱহাৰিকভাৱে কৰি চোৱা যায় তেতিয়া কথাবোৰ খেলিমেলি লাগে। পাঠ পৰিকল্পনাৰ বেলিকাও একে পৰিস্থিতিৰে সন্মুখীন হ'বলগীয়া হয়। যদিওবা পাঠ পৰিকল্পনা যুগুত কৰোতে প্ৰায়বোৰ শিক্ষানুষ্ঠানেই হাৰ্বাৰ্চিয়ান স্তৰকেইটা অনুসৰণ কৰে তথাপি অনুষ্ঠান ভেদে ইয়াৰ প্ৰয়োগ সুকীয়া সুকীয়া হোৱা দেখা যায়। তদুপৰি বিভিন্ন সময়ত বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠান সমূহে হাৰ্বাৰ্চিয়ান স্তৰকেইটাৰ সংশোধিত ৰূপ হিচাপে পাঠ পৰিকল্পনাৰ বিভিন্ন গাঁথনি (Structure) ৰ উদ্ভাৱন কৰিছে। তলত





পাঠ পৰিকল্পনাৰ সচৰাচৰ ব্যৱহাৰ হোৱা এটা গাঁথনি তুলি ধৰা হ'ল।

**১) তথ্যৰ চিনাক্তকৰণ** (Identification of Data)

এটা পাঠ পৰিকল্পনাত আৰম্ভণিতেই তথ্যৰ চিনাক্তকৰণ দিয়া থাকে, য'ত বিদ্যালয়ৰ নাম, শ্ৰেণী, শিক্ষাৰ্থীৰ সংখ্যা, শিক্ষাৰ্থীৰ বয়স, সময়, তাৰিখ, বিষয়, পাঠৰ নাম, শিক্ষকৰ নাম ইত্যাদি তথ্যসমূহ চিনাক্তকৰণ কৰি উল্লেখ কৰা হয়।

**২) উদ্দেশ্য** (Objectives)

তথ্যৰ চিনাক্তকৰণৰ পাছতে উদ্দেশ্যসমূহ উল্লেখ কৰা হয়। যিটো বিষয়ৰ পাঠ পৰিকল্পনা যুগুত কৰা হৈছে সেই বিষয়টোৰ সাধাৰণ উদ্দেশ্যসমূহ আৰু পাঠটোৰ বিশেষ উদ্দেশ্য সমূহ উল্লেখ কৰা হয়। বিষয় অনুযায়ী আৰু শিক্ষাৰ্থীৰ শিক্ষাৰ স্তৰ অনুযায়ী সাধাৰণ উদ্দেশ্যসমূহ বেলেগ বেলেগ হয়। আনহাতে পাঠ অনুযায়ী বিশেষ উদ্দেশ্যসমূহো পৃথক পৃথক হোৱা দেখা যায়।

**৩) শিক্ষণ সঁজুলি** (Teaching Aids)

উদ্দেশ্যৰ পাছতে শিক্ষণ সঁজুলিসমূহ উল্লেখ কৰা হয়। অৰ্থাৎ পাঠটো শিকাওঁতে ব্যৱহাৰ কৰিবলগীয়া শিক্ষণ সঁজুলিসমূহৰ বিষয়ে উল্লেখ কৰা হয়। যেনে- চক, ডাস্তাৰ, ব্লেকব'ৰ্ড, পইন্টাৰ, পাঠটোৰে বিচৰা বিশেষ সঁজুলি, অন্যান্য যথোপযুক্ত আৰু প্ৰাসংগিক দৃশ্য শ্ৰব্য সঁজুলি আদি।

**৪) প্ৰস্তাৱনা বা প্ৰস্তুতি** (Preparation)

এই পৰ্যায়ত পাঠটোৰ লগত সংগতি থকা শিক্ষাৰ্থীৰ পূৰ্বজ্ঞানৰ পৰীক্ষা কৰা হয়। ইয়াত শিক্ষাৰ্থীৰ প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণৰ চেষ্টা কৰা হয়। নতুন পাঠ আহৰণৰ বাবে শিক্ষাৰ্থীসকলক প্ৰস্তুত কৰি লোৱাৰ পাছত পাঠ ঘোষণা বা অৱতাৰণা কৰা হয়।

**৫) উপস্থাপন** (Presentation)

এই পৰ্যায়ত পাঠৰ মূল বিষয়বস্তুসমূহ বিশেষ উদ্দেশ্যৰ লগত সংগতি ৰাখি উপস্থাপন কৰা হয়। ইয়াত শিক্ষক শিক্ষাৰ্থী উভয়ৰে কৰ্তব্য তথা কাৰ্যাৱলী

সম্পৰ্কে স্পষ্টকৈ উল্লেখ কৰা থাকে। শিক্ষকে নিৰ্দিষ্ট শিক্ষণ সঁজুলি, উদাহৰণ, দৃষ্টান্ত, শিক্ষাদানৰ বিভিন্ন নীতি, পদ্ধতি আৰু কৌশল আদিৰ ব্যৱহাৰেৰে শিক্ষণীয় বিষয়বস্তুসমূহ উপস্থাপন কৰে।

৬) সামৰণি (Closure)

এই পৰ্যায়ত ইতিমধ্যে শিকোৱা পাঠৰ শিক্ষাৰ্থী সকলে কিমানখিনি আয়ত্ব কৰিলে তাক জানিবলৈ প্ৰশ্নসোধা হয়। সঠিক সঁহাৰি পোৱাৰ পাছত শিক্ষকে পাঠটোৰ সাৰাংশ কৈ গৃহকৰ্ম দিয়ে।

উপৰোক্ত গাঁথনিটোৰ আধাৰত প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে এটা আৰ্হি পাঠ পৰিকল্পনা যুগুত কৰি দেখুওৱা হ'ল।

## পাঠ পৰিকল্পনাৰ গুণ (Merits of Lesson Plan)

১) ই শিক্ষকক সময়ৰ সদ্ব্যৱহাৰ কৰাত সহায় কৰে।

২) ই শিক্ষকৰ শিক্ষাদানৰ দক্ষতা বৃদ্ধি কৰে।

৩) ই শিক্ষকক শিক্ষণীয় বিষয়বস্তুৰ লগত সংগতি ৰাখি উপযুক্ত সঁজুলি বাছনি কৰাত সহায় কৰে।

৪) ই শিক্ষকৰ আত্মবিশ্বাস বৃদ্ধি কৰে।

৫) ই শিক্ষকক সঠিক শিক্ষাদান পদ্ধতি বাছনি কৰাত সহায় কৰে।

## পাঠ পৰিকল্পনাৰ দোষ (Demerits of Lesson Plan)

১) ই শিকন-শিক্ষণ প্ৰক্ৰিয়াক অতি যান্ত্ৰিক কৰি তোলে।

২) ই শিক্ষক আৰু শিক্ষাৰ্থীৰ কৰণীয় সমূহ ধৰাবন্ধা বিধৰ কৰি তোলে।

৩) ই শিক্ষক আৰু শিক্ষাৰ্থীৰ স্বাধীনতা হ্ৰাস কৰে।

৪) এটা বাস্তৱ শ্ৰেণীকোঠাৰ সকলো পৰিস্থিতিকে পাঠ পৰিকল্পনাৰ জৰিয়তে সাঙুৰিব নোৱাৰি।

৫) ই এক সময় খৰচী কাৰ্য।